**মণিপুৰ ৰাজ্য আৰু অন্যান্য**

**বনাম**

**শ্ৰীমতী এ. ওংবি মেম্চা দেৱী আৰু আনএজন**

এপ্ৰিল ১৭, ১৯৯৫

(ন্যায়াধীশ কে. ৰামস্বামী আৰু ন্যায়াধীশ বি. এল. হান্সাৰিয়া)

*সেৱা আইনঃ*

*(কমপাচনেট গ্ৰাউণ্ড)সহানুভূতিশীলতাৰ ভিত্তিত নিযুক্তি- দায়িং ইন হাৰনেছ(কৰ্মৰত অৱস্থা)ত মৃত্যু হোৱা কৰ্মচাৰী- সহানুভূতিশীলতাৰ ভিত্তিত নিযুক্ত তেওঁৰ বিধৱাপত্নী- কেইবছৰমানৰ পিছত, দেওৰেক(মৃতকৰ ভাতৃ)ক নিযুক্তিৰ নিৰ্দেশনাৰ বাবে বিধৱাপত্নীয়ে দাখিল কৰা লেখ আবেদন- উচ্চ ন্যায়ালয়ে লেখ আবেদনৰ অনুমতি দিয়ে- বৈধতা- উপস্থাপন কৰে,- ইতিমধ্যে নিযুক্ত হোৱা পত্নী লগতে অব্যাহত সেৱা- ভাতৃ নিৰ্ভৰশীল নহয়– সহানুভূতিশীলতাৰ ভিত্তিত পুনৰ নিযুক্তিৰ অধিকাৰী নহয়।*

**প্ৰথম উত্তৰদাতাক সহানুভূতিশীলতাৰ ভিত্তিত আপীলকাৰী ৰাজ্যৰ সেৱাত ০১.০১.১৯৭৪ত নিযুক্তি দিয়া হৈছিল। কাৰণ, তেওঁৰ স্বামীৰ কৰ্মৰত অৱস্থাত মৃত্যু হৈছিল। তেওঁ সেৱাত অব্যাহত আছে আৰু আনকি পৰৱৰ্তী উচ্চ পদলৈ পদোন্নতি লাভ কৰিছে। ১৯৯১চনত তেওঁ সহানুভূতিশীলতাৰ ভিত্তিত তেওঁৰ দেওৰ(মৃতকৰ ভাতৃ)ক নিযুক্তি দিবলৈ উচ্চ ন্যায়ালয়ত এখন**

লেখ আবেদন দাখিল কৰিছিল। লেখ আবেদনৰ অনুমতি দিয়া হৈছে। এই নির্দেশৰ বিৰুদ্ধে ৰাজ্য চৰকাৰে দাখিল কৰা পুনৰীক্ষণ আবেদনখন নাকচ কৰা হৈছিল। সেয়েহে এই আপীলসমূহ।

আপীলৰ অনুমতি প্ৰদান কৰি আৰু উচ্চ ন্যায়ালয়ৰ নির্দেশসমূহ বাতিল কৰি, এই আদালতে,

উপস্থাপন কৰে: ভাতৃজন মৃত কৰ্মচাৰীৰ ওপৰত নিৰ্ভৰশীল নহয়, যিজনৰ কৰ্মৰত অৱস্থাত মৃত্যু হৈছিল। যিহেতু সহানুভূতিশীলতাৰ ভিত্তিত, বিধৱাগৰাকীক ইতিমধ্যে নিযুক্তি দিয়া হৈছে আৰু তেওঁ সেৱা অব্যাহত ৰাখিছে সেয়েহে, তেওঁলোকে কৰ্মৰত অৱস্থাত কৰ্মচাৰীৰ মৃত্যুৰ ভিত্তিত পুনৰ নিযুক্তি দাবী কৰিব নোৱাৰে। [৩৬৮- ডি]

দেৱানী আপীলীয় ক্ষেত্ৰাধিকাৰ- ১৯৯৫চনৰ ৫৭১০ নং দেৱানী আপীল ইত্যাদি।

গৌহাটী উচ্চ ন্যায়ালয়ৰ চি.আৰ.নং ৯৭/১৯৯১ত ২২.০২.৯৪ৰ ৰায় আৰু আদেশৰ পৰা।

আপীলকাৰীসকলৰ পক্ষত ভি. চি. মহাজন আৰু এছ. জননী।

আদালতৰ নিম্নলিখিত নির্দেশ প্ৰদান কৰা হৈছিলঃ

অনুমতি দিয়া হৈছে।

এই আপীলসমূহ গৌহাটী উচ্চ ন্যায়ালয়ৰ ইম্ফল পীঠত চি.আৰ. নং ৯৭/১৯৯১ত ১৯৯৩চনৰ ১৭নং দেৱানী পুনৰীক্ষণ আবেদনত ২২-০২-১৯৯৪ তাৰিখৰ ৰায় আৰু আদেশৰ পৰা উদ্ভৱ হৈছে। এ. ৰঘুমনী সিঙ নামৰ এগৰাকীক মণিপুৰ ৰাজ্যৰ সেৱাত নিযুক্তি দিয়া হৈছিল আৰু তেওঁ চাকৰি কৰি থকা অৱস্থাত মৃত্যুবৰণ কৰে। সেয়েহে, তেওঁৰ বিধৱাপত্নী শ্ৰীমতী আৰামবাম

ওংবি মেম্চা দেৱীক ০১.০১.১৯৭৪ত এল. ডি. চি. হিচাপে নিযুক্তি দিয়া হৈছিল আৰু ১৯৮১চনৰ ১৩অক্টোবৰত ইউ. ডি. চি. হিচাপে পদোন্নতি দিয়া হৈছিল। ১৯৯১চনত বিধৱাপত্নীয়ে সহানুভূতিশীলতাৰ ভিত্তিত দেওৰক নিযুক্তি দিয়াৰ নিৰ্দেশৰ বাবে উচ্চ ন্যায়ালয়ত এখন লেখ আবেদন দাখিল কৰিছিল। উচ্চ ন্যায়ালয়ে ১৯৯১চনৰ দেৱানী নিয়ম নং ৯৭-ত লেখ আবেদনৰ অনুমতি দিয়ে, যাৰ বিৰুদ্ধে পুনৰীক্ষণ আবেদন দাখিল কৰা হৈছিল। আগতে কোৱাৰ দৰে পুনৰীক্ষণ আবেদনও নাকচ কৰা হৈছিল। সেয়েহে, এই দুয়োখন আবেদন বিশেষ অনুমতিৰ দ্বাৰা কৰা হয়। যদিও উত্তৰদাতাই সময় লৈছিল, তথাপি কোনো উত্তৰ দিয়া হোৱা নাছিল।

ভাতৃগৰাকী কৰ্মৰত অৱস্থাত মৃত্যু হোৱা মৃত কৰ্মচাৰীজনৰ ওপৰত নিৰ্ভৰশীল নহয়। যিহেতু, সহানুভূতিশীলতাৰ ভিত্তিত বিধৱাগৰাকীক ইতিমধ্যে নিযুক্তি দিয়া হৈছে আৰু তেওঁ সেৱা অব্যাহত ৰাখিছে, সেয়ে তেওঁলোকে চাকৰি কৰি থকা কৰ্মচাৰীজনৰ মৃত্যুৰ ভিত্তিত পুনৰ নিযুক্তি দাবী কৰিব নোৱাৰে। সেয়েহে উচ্চ ন্যায়ালয়ৰ সিদ্ধান্ত সঠিক নাছিল।

সেই অনুসৰি আপীলৰ অনুমতি দিয়া হৈছে। উচ্চ ন্যায়ালয়ৰ আদেশসমূহ একাষৰীয়া কৰা হয়। তথ্য আৰু পৰিস্থিতিৰ ভিত্তিত কোনো ব্যয় নাই।

জি. এন.

আপীলৰ অনুমতি দিয়া হৈছে।

........................................

অনুবাদ: ড. অৰ্চ্চনা দেৱী, কনিষ্ঠবৰ্গ অনুবাদক

অনুবাদ শাখা, গৌহাটী উচ্চ ন্যায়ালয়

DISCLAIMER

The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation.

“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বুলি বিবেচিত হ’ব।”